**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

০০০০০

১। অক্টোবৰত পূজাৰ বিশেষ ধন হিচাপে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলক এহেজাৰ ৫০০ টকাকৈ প্ৰদানৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজহুৱা নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচী ৰূপায়ণৰ আগত প্ৰশাসনৰ আগতীয়া অনুমতি ল'বলৈ নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ নিৰ্দেশ।

৪। ২ অক্টোবৰৰ পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি।

*আৰু*

৪। এছিয়ান গেমছৰ শ্যুটিং প্ৰতিযোগিতাত অনন্ত জিৎ সিং নাৰুকা আৰু পৰিনাজ ধালিৱালৰ ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ বতৰত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে অক্টোবৰত নিয়মীয়া এহেজাৰ ২৫০ টকাৰ পৰিৱৰ্তে পূজাৰ বিশেষ ধন হিচাপে এহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে সদৰি কৰি কয় যে পূজাৰ বতৰত অসম চাহ নিগম লিমিটেডৰ সমূহ কৰ্মচাৰী আৰু চাহ শ্ৰমিকক ২০ শতাংশ বনাচ প্ৰদান কৰা হ'ব। তদুপৰি দুৰ্গা পূজা উপলক্ষে নিৰ্ধাৰিত বন্ধৰ ভিতৰত ১৮ অক্টোবৰ দিনটোত দেওবাৰ হোৱা বাবে ১৭ অক্টোবৰত চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট (চি এম)

ৰাজ্যিক মন্ত্ৰীসভাই অহা মাহৰ বাবে সুলভ মূল্যৰ দোকানত ৰাজসাহায্যযুক্ত চেনি আৰু মচুৰ দাইল ১০০ টকাত বিতৰণ কৰিবলৈ অনুমোদন জনায়। তদুপৰি মহিলা আত্ম-সহায়ক গোটৰ সদস্যাসকলৰ আধাৰ পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ বাবে ২০২৭ বৰ্ষৰ ৩১ মাৰ্চলৈ এককালীন ৰেহাইত অনুমোদন জনোৱা হয়।

ইপিনে, ৰাজ্যত উৎপাদিত মছলাৰ পৰীক্ষণ আৰু প্ৰমাণিকৰণৰ সুবিধা প্ৰদানেৰে ইয়াৰ বিপণন আৰু ৰপ্তানি সহজ কৰি তোলাৰ লক্ষ্যৰে গুৱাহাটীত মছলা পৰিষদৰ অত্যাধুনিক মছলা পৰীক্ষাগাৰ স্থাপনৰ বাবেও মন্ত্ৰীসভাই অনুমোদন জনায় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে কামৰূপত ঔদ্যোগিক ক্ষেত্ৰ স্থাপনৰ বাবে হাজো ৰাজহ চক্ৰৰ ৫০৪ বিঘা মাটি আবণ্টনৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনাইছে। ড০ শৰ্মাই সমাগত মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বিষয়ে উল্লেখ কৰি কয় যে এই নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব।

(বাইট-চি এম)

০০০০০

শিলচৰ পৌৰ নিগম নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আজি শিলচৰত উপস্থিত হৈছে। আজিৰে পৰা অহা ২৬ ছেপ্তেম্বৰলৈ সভাপতি শ্ৰীশইকীয়াই বিভিন্ন ৱাৰ্ডত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে সাংগঠনিক সভাত অংশগ্ৰহণ কৰিব। শিলচৰ পৌৰ নিগমৰ প্ৰথম নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিয়ে ইতিমধ্যে ৪২টা ৱাৰ্ডক কেন্দ্ৰ কৰি সাংগঠনিক আৰু প্ৰচাৰৰ প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৱে ৩৮টা ৱাৰ্ডত প্ৰাৰ্থী প্ৰক্ষেপ কৰি দুটা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ কৰিছে। দলীয় সূত্ৰই জনোৱা মতে এই মাহৰ শেষৰ ফালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা শিলচৰত উপস্থিত হোৱাৰ কথা।

০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা সমস্যা সমাধান সন্দৰ্ভত বিশ্বনাথ জিলা আয়ুক্তৰ সভাকক্ষত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই সভাপতিত্ব কৰে। বিশ্বনাথ জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থকা এই বৈঠকত বিহালী সংৰক্ষিত বনাঞ্চলকে ধৰি বিশ্বনাথ জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী এলেকাৰ সীমা সমস্যা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আচিফ আহমেদ, অতিৰিক্ত আয়ুক্ত প্ৰভাত পেগু, অতিৰিক্ত আৰক্ষী অধীক্ষক দেৱৰ্ষি চৌধুৰী, চক্ৰ বিষয়া, পূব শোণিতপুৰ বন সংমণ্ডলৰ সহকাৰী বন সংৰক্ষক, বনাঞ্চলিক বিষয়া আদিকে ধৰি ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া ইতিমধ্যে সম্পন্ন হৈছে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে।

নিৰ্বাচনী বিধি অনুযায়ী প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী সভা-সমিতি, শোভাযাত্ৰা, সমাবেশ আদি কাৰ্যসূচী ৰূপায়ণ নকৰিবলৈ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৰু

জিলাখনৰ আয়ুক্ত আৰণ্যক শইকীয়াই সকিয়াই দিছে। আজি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে এখন ৰাজহুৱা জাননীযোগে আগতীয়া অনুমতি অবিহনে বহুতো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী সভা আৰু সমাবেশ অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে বুলি জানিবলৈ দিয়ে। তেওঁ প্ৰাৰ্থীৰ হাতপুথিৰ নিয়ম আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুযায়ী যিকোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত নিৰ্বাচনী সভা অনুষ্ঠিত কৰিবলৈ আগতীয়া অনুমতি লোৱাৰ বিষয়ত সকলো প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰতিনিধিসকলক সকিয়াই দিয়ে। তেওঁ কয় যে নিৰ্বাচনৰ আদৰ্শ আচৰণ বিধিৰ দ্বিতীয় অংশত এই বিষয়ে উল্লেখ আছে। এতিয়াৰে পৰা এই নিয়ম ভংগ কৰা কাৰ্যসূচী গ্ৰহণ কৰিলে বিধিসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

০০০০০

¯কামৰূপ মহানগৰ জিলাত আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা স্বাস্থ্য অভিযানৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ স্বাস্থ্য সেৱাৰ সামগ্ৰিক পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন স্বাস্থ্য কাৰ্যেসূচীৰ ৰূপায়ণ আৰু স্বাস্থ্য সেৱাৰ মান উন্নত কৰাৰ বাবে গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। চিকিৎসালয়ত সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ, টীকাকৰণ, যক্ষ্মা আৰু এইছ আই ভিকে ধৰি সংক্ৰামক ৰোগ নিয়ন্ত্ৰণ, মাতৃ আৰু শিশুৰ মৃত্যু হ্ৰাসৰ লগতে অন্যান্য প্ৰতিবন্ধকতা সম্পৰ্কীয় চিকিৎসা সেৱাৰ বিষয়ে আজিৰ সভাত বিস্তৃতভাৱে আলোচনা কৰা  হয়। জিলা আয়ুক্ত স্বপ্নীল পালে স্বাস্থ্য বিভাগৰ সংশ্লিষ্ট বিষয়াসকলক নিয়মীয়া নিৰীক্ষণ, আন্তঃবিভাগীয় সমন্বয় আৰু সময় অনুযায়ী ব্যৱস্থা গ্ৰহণ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। আজিৰ সভাত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত, সাংসদ আৰু বিধায়কসকলৰ প্ৰতিনিধি আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০

পৰ্যটকসকলৰ বাবে সুখবৰ কঢ়িয়াই বাৰিষা কালছোৱা পাৰ হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত ২০২৬-২৭ বৰ্ষৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প অহা ২ অক্টোবৰৰ পৰা মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ বন বিষয়া নিতীশ বড়োৱে আজি সংবাদ মাধ্যমৰ এই বিষয়ে প্ৰকাশ কৰে। তেওঁ জানিবলৈ দিয়া অনুযায়ী ৰাষ্ট্ৰীয় উদ্যানখনৰ দ্বিতীয় প্ৰবেশদ্বাৰত এটা বৰ্ণাঢ্য কাৰ্যসূচীৰ জৰিয়তে চলিত বৰ্ষৰ বাবে উদ্যানখন পৰ্যটকৰ কাৰণে মুকলি কৰি দিয়া হ'ব। পৰৱৰ্তী জাননী নিদিয়ালৈকে উদ্যানখন পৰ্যটকৰ বাবে খোলা থাকিব বুলি উল্লেখ কৰি শ্ৰীবড়োৱে এইদৰে কয়-

বাইট

০০০০০

সেৱা সংকল্প অভিযানৰ অংশ হিচাপে বৰপেটা জিলাত বিভিন্ন সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। এই কাৰ্যসূচীৰ অধীনত আজি মহিলা আৰু যুৱতীসকলৰ মাজত ৰক্তহীনতা অৰ্থাৎ এনিমিয়া ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে দুটাকৈ শিবিৰ অনুষ্ঠিত হয়। জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত গমাৰীমুৰা আৰু বাঁহবাৰীত এই শিবিৰ দুটা অনুষ্ঠিত হয়। দুয়োটা শিবিৰত ১২০গৰাকী মহিলাৰ এনিমিয়া ৰোগৰ পৰীক্ষা কৰা হয় আৰু ইয়াৰে ভালেকেইগৰাকী মহিলা এই ৰোগত আক্ৰান্ত হোৱা বুলি ধৰা পৰে। সেই অনুসৰি তেওঁলোকক নিয়োজিত চিকিৎসকৰ দলটোৱে চিকিৎসা প্ৰদান কৰে। শিবিৰল লগত সংগতি ৰাখি আয়োজন কৰা সজাগতা

সভাত সমল চিকিৎসকৰ দলে এই ৰোগৰ লক্ষণ, চিকিৎসা ব্যৱস্থা আৰু মহিলাসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে।

ooooo

যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱাণীয়ে আজি জিলা পুথিভঁৰাল পৰিদৰ্শন কৰি পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহৰ নিৰ্মাণ কাৰ্য্যৰ বুজ লয়। জনসাধাৰণৰ সুবিধাৰ্থে নিৰ্মাণ কৰা জিলা পুথিভঁৰালটোৰ আধুনিকীকৰণ আৰু উন্নয়নৰ বাবে বিশেষ কাৰ্য্যপন্থা গ্ৰহণৰ সন্দৰ্ভত তেওঁ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে। এই পৰিদৰ্শনকালত লোক-নিৰ্মাণ বিভাগৰ বিষয়া, জিলা পুথিভঁৰাল বিষয়া তথা কৰ্মচাৰীসকল উপস্থিত থাকে।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান অব্যাহত আছে। ছিংগাপুৰৰ অসম এছ'ছিয়েচনৰ সভাপতি অভিমন্যু তালুকদাৰে আজি দ্বিতীয় দিনা আদালতত সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই অভিমন্যু তালুকদাৰৰ জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। উল্লেখযোগ্য যে, শিল্পীগৰাকীৰ মৃত্যুৰ গোচৰত পূৰ্বে প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী, প্ৰতীম লহকৰ, দেবজ্যোতি হাজৰিকা আৰু জীউ লাংচাট নাৰ্জাৰীয়ে সাক্ষ্য প্ৰদান কৰিছিল।

ooooo

শ্বহীদ পিয়লী ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ ১৯৬ সংখ্যক মৃত্যু তিথি উপলক্ষে আজি শিৱসাগৰত ৰংপুৰ প্ৰাচীন কীৰ্তি চিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত শ্বহীদ স্মৃতি দিৱস পালন কৰা হয়। এই উপলক্ষে বৰপুখুৰীৰ পাৰত থকা শ্বহীদ পিয়লী ফুকন উদ্যানত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি আৰু মৈদামত তৰ্পণ কৰা হয়। অনুষ্ঠানত শ্বহীদগৰাকীৰ পৰিয়ালৰ সদস্যকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে, বৃটিছৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰ বাবে ১৮৩০ চনৰ ২৪ ছেপ্তেম্বৰত পিয়লী ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক শিৱসাগৰত ফাঁচী দিয়া হৈছিল। অনুষ্ঠানত বক্তাসকলে দুয়োগৰাকী শ্বহীদৰ অৱদান স্মৰণ কৰাৰ লগতে তেওঁলোকক যথোচিত স্বীকৃতি প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

ooooo

যোৰহাট জিলাৰ তিতাবৰ সমজিলা প্ৰশাসনৰ উদ্যোগত আজি প্ৰজেক্ট ডেউকাৰ প্ৰশিক্ষণ সম্পন্ন হয়। তিতাবৰৰ দেৱ কুমাৰ বৰা সোঁৱৰণী ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই প্ৰজেক্ট ডেউকা হৈছে, দিব্যাংগ ব্যক্তিসকলৰ বাবে সহানুভূতিশীল আৰু সহায়ক পৰিৱেশ সৃষ্টি কৰা। এই প্ৰকল্পৰ জৰিয়তে দিব্যাংগ লোকসকলৰ প্ৰতি থকা ভুল ধাৰণা, কলংক আৰু বৈষম্য হ্ৰাস কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ, মৰ্য্যাদা, সামৰ্থ্য আৰু সমান অংশগ্ৰহণৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিতাবৰ সমজিলা আয়ুক্তই এই কাৰ্য্যসূচী উদ্বোধন কৰাৰ লগতে সহকাৰী আয়ুক্ত, সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া আৰু যোৰহাটৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্য্যালয়ৰ সংশ্লিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই কাৰ্য্যসূচীত অংগনৱাড়ী কৰ্মী আৰু আশা স্বাস্থ্য কৰ্মীসকলক দিব্যাংগ বিষয়ত সজাগ কৰাৰ লগতে তৃণমূল পৰ্য্যায়ত সজাগতা, অন্তৰ্ভুক্তি, সমতা আৰু সহজলভ্যতা নিশ্চিত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা সন্দৰ্ভত দিহা-পৰামৰ্শ দিয়া হয়।

ooooo

এছিয়ান গেমছ্‌ৰ শ্বুটিং প্ৰতিযোগিতাত আজি মিস্কড্ স্কীট টীম শিতানত অনন্ত জিৎ সিং নাৰুকা আৰু পৰিনাজ ধালিৱালে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে এই শিতানত ভাৰতৰ এইটোৱেই প্ৰথম এছিয়ান গেমছ্‌ৰ পদক। ইফালে, কাবাডীত ভাৰতীয় পুৰুষ দলটোৱে গ্ৰুপ-এৰ চূড়ান্ত খেলত চীনক ৩৭-২১ ফলাফলত হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। গ্ৰুপ পৰ্যায়ত এইবাৰৰ সৈতে ভাৰতে চতুৰ্থ বাৰলৈ জয়লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে দক্ষিণ কোৰিয়া, জাপান আৰু বাংলাদেশক পৰাজিত কৰিছিল। ১৯৯০ চনৰে পৰা কাবাডীত এছিয়ান গেমছত অন্তৰ্ভুক্ত হৈছে আৰু ভাৰতীয় পুৰুষ দলটোৱে ৮টা সোণৰ পদকসহ মুঠ ৯টা পদক লাভ কৰিছে। আনহাতে, ভাৰতীয় মহিলা দলটোৱে জয়ৰ ধাৰা অব্যাহত ৰাখি ইৰানক ৩৭-২৩ ৰ ফলাফলত পৰাজিত কৰে। মহিলা দলটোৱে ইয়াৰ পাছত জাপানৰ সৈতে মুখামুখি হ’ব।

ooooo

সমাপ্ত